**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 6-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি সংসদৰ উভয় সদনত বাংলাদেশৰ স্থিতি সম্পৰ্কে বিবৃতি দিব।

২। চৰকাৰে কৈছে যে, দেশত বিগত ১০ বছৰত বাওপন্থী উগ্ৰবাদ চকুত লগা ধৰণে হ্ৰাস পাইছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ সন্মানাৰ্থে আজি ফিজিৰ ৰাজধানী ছুৱাত ভাৰতীয় সম্প্ৰদায়ৰ সদস্য আৰু মিত্ৰসকলে  সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানৰ আয়োজন কৰে।

*আৰু*

৪। ভাৰতীয় খেলুৱৈসকলে আজি পেৰিছ্ অলিম্পিকৰ হকী, এথলেটিকছ্, টেবল টেনিছ্ আৰু মল্লযুঁদ্ধত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ভাৰতীয় পুৰুষ হকী দলটো নিশা চাৰে ১০ বজাত জাৰ্মানীৰ বিৰুদ্ধে ছেমি ফাইনেলত অৱতীৰ্ণ হোৱা হ'ব।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি সংসদৰ উভয় সদনত বাংলাদেশৰ স্থিতি সম্পৰ্কে বিবৃতি দিব। ড০ জয়শংকৰে দিনৰ দুই বাজি ৩০ মিনিটত ৰাজ্যসভাত আৰু তিনি বাজি ৩০ মিনিটত লোকসভাত বিষয়টো সন্দৰ্ভত বক্তব্য ৰাখিব।

ইয়াৰ পূৰ্বে চৰকাৰে বাংলাদেশৰ স্থিতি সম্পৰ্কে আলোচনা কৰাৰ বাবে পুৱাৰভাগত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে। নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে নেতাসকলক বাংলাদেশৰ শেহতীয়া ঘটনাক্ৰম সম্পৰ্কে অৱগত কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে সৰ্বদলীয় বৈঠকত লাভ কৰা পূৰ্ণ সমৰ্থনৰ শলাগ লয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু আৰু কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা বৈঠকত উপস্থিত থাকে। লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, তৃণমূল কংগ্ৰেছৰ নেতা সুদীপ বন্দোপধ্যায়, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰীয়া ছুলে, আৰ জে ডি নেত্ৰী নিশা ভাৰতী, এছ্ পি নেতা প্ৰফেছাৰ ৰাম গোপাল যাদৱ আৰু ডি এম কেৰ টি আৰ বালু প্ৰমুখ্যে বিৰোধী পক্ষৰ ভালেসংখ্যক নেতাই বৈঠকত অংশ লয়। তদুপৰি কেন্দ্ৰীয় মন্ত্ৰী তথা জে ডি ইউ নেতা লল্লন সিং, কেন্দ্ৰীয় মন্ত্ৰী তথা জে ডি এছ্ নেতা এইচ ডি কুমাৰস্বামী, কেন্দ্ৰীয় মন্ত্ৰী তথা টি ডি পি নেতা ৰাম মোহন নাইডু আৰু এল জে পি আৰৰ অৰুণ ভাৰতীয়ে বৈঠকত ভাগ লয়।

০০০০০০০

চৰকাৰে কৈছে যে, দেশত বিগত ১০ বছৰত বাওপন্থী উগ্ৰবাদ চকুত লগা ধৰণে হ্ৰাস পাইছে। ২০১৪ চনৰ মে'ৰ পৰা চলিত বৰ্ষৰ এপ্ৰিলৰ মাজৰ সময়ছোৱাত বাওপন্থী উগ্ৰবাদজনিত ঘটনা ২০০৪ৰ পৰা ২০১৪ চনৰ এপ্ৰিলৰ তুলনাত ৫৩ শতাংশ হ্ৰাস পাইছে। লোকসভাত আজি পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে এই কথা প্ৰকাশ কৰে। তেওঁ বাওপন্থী উগ্ৰবাদ প্ৰভাৱিত জিলাৰ সংখ্যাও সম্প্ৰতি ৩৮ লৈ হ্ৰাস পাইছে বুলি উল্লেখ কৰে। তেওঁ কয় যে দেশত ২০১৩ চনত বাওপন্থী উগ্ৰবাদ প্ৰভাৱিত ১২৬খন জিলা আছিল। বাওপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকাসমূহত হতাহত হোৱা অসামৰিক আৰু সুৰক্ষা বাহিনীৰ লোকৰ সংখ্যাও যথেষ্ট হ্ৰাস পাইছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ২০০৪ৰ পৰা ২০১৪ চনৰ ভিতৰত বাওপন্থী উগ্ৰবাদজনিত ঘটনাত এহেজাৰ ৮০০ ৰো অধিক সৰক্ষা কৰ্মীয়ে প্ৰাণ হেৰুওৱাৰ বিপৰীতে বিগত ১০ বছৰত এনে লোকৰ সংখ্যা ৫০৯ লৈ হ্ৰাস পাইছে।

০০০০০০০০

ব্ৰিটেইনৰ চৰকাৰে কালি বিমানেৰে দেশ এৰি বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰা অশান্তজৰ্জৰ পৰিস্থিতিৰ সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ নেতৃত্বত তদন্তৰ আহ্বান জনাইছে। বৈদেশিক সচিব ডেভিদ লেমিয়ে কয় যে, যুক্তৰাষ্ট্ৰই দক্ষিণ এছিয়াৰ দেশখনক শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক ভৱিষ্যৎ চাব বিচাৰে। তেওঁ কয় যে যোৱা দুসপ্তাহত বাংলাদেশত অভূতপূৰ্ব হিংসা দেখা গৈছে আৰু বহুজনৰ প্ৰাণ হানি হৈছে। তেওঁ তদানিন্ত চৰকাৰৰ অধীনত সকলো পক্ষই একেলগে কাম কৰি শান্তি ঘূৰাই আনিবলৈ আহ্বান জনাইছে। বৈদেশিক সচিব লেমিয়ে কয় যে, বাংলাদেশৰ জসাধাৰণে ৰাষ্ট্ৰসংঘৰ অধীনত বিগত কেইসপ্তাহমানত দেশখনত উদ্ভৱ হোৱা অশান্তিৰ সম্পূৰ্ণ আৰু স্বতন্ত্ৰ তদন্তৰ দাবী কৰিব পাৰে। উল্লেখ্য যে, দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই হাজাৰ হাজাৰ প্ৰতিবাদকাৰীৰ বিক্ষোভ আৰু আক্ৰমনৰ ফলত প্ৰধানমন্ত্ৰীৰ বাসভৱন **গণভৱন** ত্যাগ কৰাৰ লগতে প্ৰধানমন্ত্ৰীত্বৰ পদো ত্যাগ কৰে। দেশখনত দেওবাৰে আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ সংঘাটৰ ফলত ৯০ জনতকৈ ও অধিক লোকৰ মৃত্যু হোৱাৰ লগতে হাজাৰতকৈও বেছি লোক আঘাতপ্ৰাপ্ত হয়। দেশখনৰ ছাত্ৰসকলে চৰকাৰী চাকৰিত ১৯৭১ চনত দেশখনৰ স্বাধীনতাৰ যুঁজত ভাগ লোৱা মুক্তিযোদ্ধাৰ পৰিয়ালৰ লোকৰ আৰক্ষণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল।

০০০০০০০০

কইম্বাতুৰৰ চুলুৰস্থিত বায়ু সেনা ঘাটিত আজিৰে পৰা তৰংগ শক্তি-২০২৪ আন্তঃৰাষ্ট্ৰীয় বিমান অনুশীলন আৰম্ভ হ'ব। এই অনুশীলন চলিত মাহৰ ১৪ আগষ্টলৈ চলিব। আমেৰিকা, জাৰ্মানী, ফ্ৰান্স, অষ্ট্ৰেলিয়া সংযুক্ত আৰব এমিৰেটছ আৰু ছিংগাপুৰকে ধৰি বিশ্বৰ ৩০ খন দেশে অত্যাধুনিক যুদ্ধ বিমানেৰে অনুশীলন প্ৰদৰ্শন কৰিব। তেজাছ, ৰাফেল, মীৰাজ-২০০০, এম আই আই-২৯ যুঁজাৰু বিমানে এই অনুশীলনত অংশ ল'ব। দ্বিতীয় পৰ্যায়ৰ অনুশীলন চলিত মাহৰ ২৯ তাৰিখৰ পৰা ছেপ্তেম্বৰ মাহৰ ১৪ তাৰিখলৈ ৰাজস্থানৰ বায়ু সেনা ঘাটিত অনুষ্ঠিত হ'ব। আজিৰ এই অনুশীলন অনুষ্ঠান বিয়লি তিনি বজাত অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ফিজিৰ ৰাজধানী ছুৱাত ভাৰতীয় মূলৰ লোকসকলে আয়োজন কৰা সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানত সভাপতিত্ব কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে এখন সভাত সম্বোধন কৰি কয় যে, তেওঁ ফিজিত থাকি

ঘৰুৱা অনুভৱ কৰিছে আৰু দেশখনত বাস কৰা ভাৰতীয় মূলৰ লোকসকলে সংস্কৃতি আৰু মূল্যবোধ অক্ষত ৰখাৰ বাবে তেওঁ সুখী অনুভৱ কৰিছে। গিৰমিট দিৱস ফিজিৰ বন্ধ দিন আৰু হিন্দী দেশখনৰ চৰকাৰী ভাষা বুলি জানিও ৰাষ্ট্ৰপতিগৰাকীয়ে আনন্দ প্ৰকাশ কৰিছে। ফিজিত থকা ভাৰতীয় লোকসকলে দেশখনৰ আৰু প্ৰসান্ত মহাসাগৰীয় অঞ্চলৰ উন্নয়নৰ বাবে বৰঙণি যোগোৱা বুলিও তেওঁ কয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, ভাৰত আৰু ফিজিৰ ঐতিহাসিক সম্পৰ্কৰ অংশীদাৰ হোৱাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিত গোলকীয় দক্ষিণৰ স্বাৰ্থ আগত ৰাখি একেলগে মাত মাতি যাব বুলিও প্ৰকাশ কৰে। উল্লেখ্য যে, ৰাষ্ট্ৰপতি মুৰ্মুৱে প্ৰশান্ত মহাসাগৰীয় দ্বীপ ৰাষ্ট্ৰখনত দুদিনীয়া ৰাজ্যিক ভ্ৰমণত অংশগ্ৰহণ কৰিছে।

ooooooooo

কেৰালাৰ ৱাইনডৰ সুচিপ্পাড়াৰ চানৰাইজ উপত্যকাত শ'ৱদেহ বিচাৰি আজি পুৱা পুনৰ অভিযান আৰম্ভ কৰা হয়। এই অভিযানৰ বাবে দুগৰাকী প্ৰশিক্ষণপ্ৰাপ্ত বন বিষয়া, বিশেষ অভিযান গোটৰ চাৰিগৰাকী সদস্য আৰু ছগৰাকী সেনা কৰ্মীৰ এটা ১২ জনীয়া দলক বিমানেৰে দুৰ্গম অঞ্চলটোলৈ প্ৰেৰণ কৰা হৈছে। শ'ৱদেহ অনাৰ বাবে এখন হেলিকাপ্টাৰ সাজু কৰি ৰখা হৈছে। ইপিনে এহেজাৰ ৩০০ গৰাকী সেনা কৰ্মী আৰু সহস্ৰাধিক স্বেচ্ছাসেৱকক লৈ গঠিত ৪০ টা দলে আজি অষ্টম দিনাৰ বাবে অঞ্চলটোত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ভূমিস্খলন বিধবস্ত অঞ্চলটোৰ পৰা কালি ছটা শ'ৱদেহ উদ্ধাৰ কৰা হয়। অচিনাক্ত লোকৰ ২৭টা শ'ৱদেহ আৰু ১৫৪টা ক্ষতবিক্ষত অংগ যোৱা নিশা পুথুমালাৰ কৰস্থানত সমাধিস্থ কৰা হয়।

ooooooooo

চৰকাৰে চাইবাৰ অপৰাধ দমনৰ বাবে দেশৰ এক কোটি ৯২ লাখ ছিমকাৰ্ড ব্লক কৰিছে। ৰাজ্যখনৰ প্ৰশ্নকালীন সময়ছোৱাত পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধৰিয়ে কয় যে চাইবাৰ জালিয়াতি দমনৰ বাবে চৰকাৰে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিছে। তেওঁ কয় যে, ১৯৩০ ট'লফ্ৰী নম্বৰত চাইবাৰ জালিয়াতিৰ বিৰুদ্ধে অভিযোগ দিব পাৰে।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে।

ooooooooo

ভাৰতীয় খেলুৱৈসকলে আজি পেৰিছ অলিম্পিকৰ হকী, এথলেটিকছ, টেবল টেনিছ আৰু মল্লযুঁদ্ধত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ভাৰতীয় পুৰুষ হকী দলটো জাৰ্মানীৰ বিৰুদ্ধে ছেমি ফাইনেলত অৱতীৰ্ণ হোৱা হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১০ বজাত আৰম্ভ হ'ব।

ইপিনে যোৱাবাৰৰ চেম্পিয়ন নীৰজ চোপ্ৰাই আজি পুৰুষৰ জেভলিন থ্ৰ'ত নিজৰ অভিযান আৰম্ভ কৰিব। খেলুৱৈগৰাকীয়ে ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বাজি ৩০ মিনিটত গ্ৰুপ-বিত যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত অৱতীৰ্ণ

হ'ব। একেটা ইভেণ্টতে এছিয়ান গেমছত ৰূপক পদক লাভ কৰা কিশোৰ কুমাৰ জেনাই ফাইনেলত স্থান নিশ্চিত কৰিবৰ বাবে গ্ৰুপ-এৰ যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত কিছু সময় পাছত অৱতীৰ্ণ হ'ব। ইফালে ভাৰতৰ কিৰণ পাহালেই ভাৰতীয় সময় অনুসৰি দিনৰ ২ বাজি ৩০ মিনিটত মহিলাৰ ৪০০ মিটাৰ দৌৰৰ ৰেপচেজ ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা কৰিব।

মল্লযুদ্ধত এচিয়ান গেমছ আৰু কমনৱেলথ গেমছত সোণৰ পদক বিজেতা ৱিনেশ ফোগাটে মহিলাৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত দেশৰ হকে প্ৰতিদ্বন্দ্বিতা কৰিব। খেলুৱৈগৰাকী ভাৰতীয় সময় অনুসৰি দিনৰ ৩ বজাত জাপানৰ ছুছাকী য়ুইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে টেবুল টেনিছত হৰমিত দেশাই, মানৱ থক্কৰ আৰু অশান্ত শৰথ কমলেৰে গঠিত ভাৰতৰ পুৰুষ দলটো দিনৰ ডেৰ বজাত দলীয় শিতানত চীনৰ প্ৰতিদ্বন্দ্বিৰ সন্মুখীন হৈছে।

০০০০০০০০০

**সমাপ্ত**